# ১.০ প্ৰথম অধ্যায়
# শৰণীয়া-কছাৰীসকলৰ চমু পৰিচয় ঃ

## ১.১ কিৰাত-কছাৰী জনগোষ্ঠী

বৰ্তমান ৩৩ খন জিলাৰে গঠিত অসম হৈছে ভাৰতবৰ্ষৰ পূৰ্বখণ্ডত অৱস্থিত এখন ঐতিহ্যপূৰ্ণ তথা ঐশ্বৰ্যশালী ৰাজ্য। বিভিন্ন ভাষা-ভাষী, বিভিন্ন নৃগোষ্ঠী আৰু বিভিন্ন সংস্কৃতিৰ লীলাভূমি এইখন অসম মাটি-কালিৰ দিশৰ পৰা ক্ষুদ্ৰ হলেও পৃথিৱীৰ বিভিন্ন নৃগোষ্ঠীৰ ইয়ালৈ সময়ে-সময়ে প্ৰবজন ঘটিছে। সেয়েহে অসমখনক ভাৰতবৰ্ষৰ এক ক্ষুদ্ৰ সংস্কৰণ বুলি কলেও ভুল কোৱা নহয়। পৃথিৱীৰ প্ৰায় প্ৰতিটো নৃগোষ্ঠীৰে অসমলৈ আগমন ঘটিছে। প্ৰতিটো নৃগোষ্ঠীৰ লোকেই অতিজৰে পৰা বৰ্তমানলৈকে ইয়াৰ প্ৰাকৃতিক শোভা, সাৰুৱা কৃষিভূমি, নাতিশীতোষ্ণ জলবায়ু আদিৰ প্ৰতি আকৃষ্ট হৈ ইয়াত নিগাজীকৈ থাকিবলৈ লৈছে। যাৰ কাৰণে অতীতৰে পৰা বৰ্তমানলৈ ইয়াৰ এটা নিৰবিছিন্ন সোঁত বৈ আহিছে। সেয়েহে পণ্ডিতসকলে Assam is a museum of a large number of human species ever found of earth "[১] বুলি কৈছে।পৃথিৱীৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ থকা আদিম মানুহৰ পূৱ এচিয়াৰ ফালে থকা মানুহখিনিক মংগোলীয়, মধ্য এচিয়া আৰু ইউৰোপত বাস কৰা মানুহখিনিক ককেচীয়া আৰু আফ্ৰিকাত বাস কৰা মানুহখিনিক নিগ্ৰো বুলি পণ্ডিতসকলে মন্তব্য আগবঢ়াইছে। এই বিভিন্ন গোষ্ঠীৰলোকসকলে কালক্ৰমত খাদ্য, বাসস্থান আৰু আন আন সুবিধাৰ অনুসন্ধানত পৃথিৱীৰ বিভিন্ন ঠাইলৈ গতি কৰে।

খ্ৰীষ্টপূৰ্ব ২০০০ বছৰমান আগৰ পৰাই মংগোলীয়গোষ্ঠীৰ লোকসকলে বিশ্বৰ বিভিন্ন ঠাইত ঘুৰি ফুৰিছিল। এনেদৰে ঘুৰি ফুৰোতে কালক্ৰমত তেওঁলোক তিনি ভাগ হৈ তাৰে এটা ভাগে ইউৰোপৰ তুৰ্কী আৰু ইটালীত বাস কৰে। দ্বিতীয় ভাগটোৱে ছাইবেৰীয়াৰ মাজেৰে পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰে। সিহঁতৰ এটা ঠালে জাপানত বাস কৰে। তৃতীয় ভাগটোৱে চীনৰ দক্ষিণ-পশ্চিমত থকা হোৱাংহো উপত্যকা আৰু তীব্বত মালভূমিত বাস কৰিবলৈ লয়। হোৱাংহো উপত্যকাৰ পৰা এটা

---

১। Sen, Sipra ঃ *Tribes and castes of assam,* page no-121

ঠালে ভাগ হৈ ব্ৰহ্মদেশ পায়। তীব্বতত বাস কৰা মংগোলীয়সকলে চামে-চামে আহি হিমালয়ৰ নামনি অঞ্চলত বাস কৰিবলৈ লয়। আন কিছুমানে ব্ৰহ্মপুত্ৰ নদীৰ বিভিন্ন শাখাৰ মাজেৰে আহি ব্ৰহ্মপুত্ৰ নদীৰ দাঁতিকাষৰীয়া ঠাইবোৰত বাস কৰিবলৈ লয় আৰু তাতে সৰু সৰু ৰাজ্য কিছুমান স্থাপন কৰে। পণ্ডিতসকলৰ মতে ভাৰতত তিনিটা দিশেৰে মংগোলীয় গোষ্ঠীৰ প্ৰৱেশ ঘটে। এটা ফালে প্ৰাচীন ভাৰতৰ বিদেহ, মিথিলা, বিহাৰ আদিৰ মাজেৰে আহি গংগা উপত্যকাত বিয়পি পৰে। আনটো ফালে উত্তৰ-পূৱ কোনেৰে আহি ব্ৰহ্মপুত্ৰ উপত্যকাত বিয়পি পৰে। তৃতীয় ফালটোৱে দক্ষিণ-পূৱ কোনেৰে আহি ত্ৰিপুৰা, পশ্চিমবংগ আদিত বিয়পি পৰে। পৰৱৰ্তী পৰ্যায়ত ত্ৰিপুৰাৰ বাহিৰে বাকী ৰাজ্যসমূহ মুছলমানৰ কবলত পৰে। উত্তৰ-পূৱ দিশেৰে মংগোলীয়গোষ্ঠীৰ মানুহবোৰ ভাৰতত প্ৰৱেশ কৰাৰ সময়তে ভাৰতীয় আৰ্যসকলেও উত্তৰ-পশ্চিম ফালেৰে ভাৰতত প্ৰৱেশ কৰে বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে। আৰ্য আৰু মংগোলীয়গোষ্ঠীৰ লোকসকলে সমসাময়িকভাৱে ভাৰতত প্ৰৱেশ কৰে।

মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীসমূহ ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি আহি ব্ৰহ্মপুত্ৰ উপত্যকাত বিয়পি পৰে। এইসকল মংগোলীয়ই তিব্বত মালভূমিৰ পৰা আহি ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি আহি উত্তৰ-পূৱ ভাৰতত পাট কাপোৰৰ ব্যৱসায় কৰিবলৈ প্ৰৱেশ কৰাৰ কথা পোৱ যায়। তিব্বতৰ পৰাই ব্ৰহ্মপুত্ৰ উপত্যকাইদি পশ্চিমলৈ হিমালয়ৰ পাদদেশ অৰ্থাৎ নামনি অঞ্চলত বাস কৰিবলৈ লোৱা মংগোলীয়সকলক সংস্কৃতভাষী আৰ্যসকলে 'কিৰাত' বুলি কৈছিল। ইয়াৰ সাক্ষ্য পৌৰাণিক সাহিত্যসমূহে দিয়ে। ব্ৰহ্মপুত্ৰ উপত্যকাত বিয়পি পৰা বিভিন্ন জনগোষ্ঠীৰ লোকসকল বৃহত্তৰ অসম ভূমিৰ বাসিন্দা। অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীসমূহৰ নৃতাত্বিক বিশ্লেষণ কৰিলে তেওঁলোকৰ সৰহ সংখ্যক যে মংগোলীয় প্ৰজাতিৰ সেই কথা অনুধাৱন কৰিব পাৰি। এই সম্পৰ্কে পণ্ডিতসকলেও স্বীকাৰ কৰি গৈছে -

> "একোটা জনগোষ্ঠীৰ লোকসকলৰ শৰীৰাবয়ৱ, উচ্চতা, মুখৰ আকাৰ, গাৰ বৰণ, ওঠৰ স্থুলতা, ক্ষীণতা, প্ৰকটতা, হনুৰ প্ৰকট, দাঁত, চুলিৰ ঘনতা, জানুসন্ধিৰ কাৰ্যক্ষমতা আদি বিবিধ বিষয়ৰ ওপৰত নিৰ্ভৰ কৰি জনগোষ্ঠীৰ চিনাক্তকৰণ কৰা হয়। এইসমূহ লক্ষণ বা বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰিয়ে পণ্ডিতসকলে নাক চেপেটা, মূৰ চুটি, চুলি ঠৰঙা, কপাল বহল, গোলাকাৰ গাল, কম গুফীয়া, তপিনা বহল, গাৰ বৰণ হালধীয়া লোকসকলক মংগোলীয় গোষ্ঠীৰ লোক বুলি অভিহিত কৰিছে। "[৮]

৮। খনিকৰ, সূৰ্যকান্ত : *অসমৰ প্ৰাচীনতম অধিবাসী অষ্ট্ৰিক আৰু বড়ো সকল (অসমৰ ভূমিপুত্ৰ)* পৃ. ৯

আৰ.এছ.এণ্ডেলে মংগোলীয়সকলৰ আৱয়বিক বৈশিষ্ট্য সম্পৰ্কে এনেদৰে কৈছে -

> "In face and figure they show a distinct approximation to what is known as the Mongolian type, i,e, they have square set faces, projecting cheek-bones, with almond-shaped eyes, and scanty beard and moustache,"[৯]

আৰ.এছ. এণ্ডেলে উল্লেখ কৰা মংগোলীয়গোষ্ঠীৰ শাৰীৰিক বৈশিষ্ট্য অসমত বাস কৰা প্ৰায় প্ৰতিটো জনগোষ্ঠীৰ মাজতে বিদ্যমান। সেই হিচাপে অসমত বাস কৰা প্ৰায় সংখ্যক জনজাতিৰ লোকে মংগোলীয়গোষ্ঠীৰ। ইতিহাসে চুকি নোপোৱা কালৰেপৰাই মংগোলীয় লোকসকলে অসমলৈ পাট-কাপোৰৰ ব্যৱসায় কৰিবলৈ আহিছিল। পিছলৈ অসমতে নিগাজীকৈ থাকিবলৈ লৈছিল। এই বিষয়ে সুনীতি কুমাৰ চট্টোপধ্যায়ে এনেদৰে লিখিছে -

> This trade was in chines silk cloth and chines bambo flutes, among other things, and it brought these articles into eastern India "[১০]

মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত - বড়ো, ৰাভা, মৰাণ, চুতীয়া, সোণোৱাল, ঠেঙাল, শৰণীয়া, ডিমাছা, হাজং, লালুং, গাৰো, মেচ, কোচ ইত্যাদি লোকসকলক পূৰ্বতে কিৰাত কছাৰী বুলি জনা গৈছিল। এই সম্পৰ্কে "কনকলাল বৰুৱাই তেখেতৰ Early History of Kamrup নামৰ গ্ৰন্থত লিখিছে 'বোধহয় মঙ্গোলয়ড জনগোষ্ঠীৰ লোকসমূহৰ সাধাৰণ নামেই কিৰাত।"[১১]

অসমৰ আটাইতকৈ পুৰণি আৰু ঐতিহ্যপূৰ্ণ জনগোষ্ঠীটোৰেই হৈছে কিৰাত-কছাৰী জনগোষ্ঠী। কিৰাত-কছাৰী জনগোষ্ঠীসকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ আদিম জনগোষ্ঠী। এই গোষ্ঠীটোৰ প্ৰাচীন ইতিহাস জনাৰ কাৰণে তেওঁলোকৰ কোনো লিখিত তথ্য পোৱা নাযায় যদিও বিভিন্ন সাহিত্যিক সমল যেনে- ৰামায়ণ, মহাভাৰত, পুৰাণ, পুৰাবৃত্ত (Chronicles) আৰু বিভিন্ন প্ৰত্নতাত্বিক সমল আদিৰ পৰা কিৰাত-কছাৰীসকলৰ বহু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ পোৱা যায়। মহাভাৰতৰ সভাপৰ্ব, দ্ৰোণপৰ্ব, অশ্বমেধপৰ্ব,

---

৯। Endle, R.S ঃ *The Kacharis,* page no-1

১০। দাস, ড° ভূবন মোহন ঃ *অসমীয়া মানুহৰ নৃবৈজ্ঞানিক পৰিচয়,* পৃষ্ঠা - ৬৯

১১। খনিকৰ, সূৰ্যকান্ত ঃ *অসমৰ প্ৰাচীনতম অধিবাসী অষ্ট্ৰিক আৰু বড়ো সকল (অসমৰ ভূমিপুত্ৰ)* পৃ. ১৮

উদ্যোগপৰ্ব, ভীষ্মপৰ্ব, কৰ্ণপৰ্ব আদিত কিৰাত-জনগোষ্ঠীৰ কথা উল্লেখ আছে। এই পুৰাণ তথা কাব্যসমূহত গুহাত বাস কৰা, পৰ্বতত বাস কৰা, হাবি বা বননিত বাস কৰা তথা পাহাৰীয়া অঞ্চলত বাস কৰা নিষ্ঠুৰ, বৰ্বৰ আৰু জংগলী লোকক কিৰাত বুলি কোৱা হৈছিল। প্ৰাচীন সংস্কৃত গ্ৰন্থসমূহৰ উপৰিও প্ৰথম শতিকাৰ গ্ৰীক গ্ৰন্থ 'পেৰী প্লাচ অৱ দি এৰিথ্ৰিয়ান চি'ত কিৰাহাডি বুলি এবিধ লোকৰ নাম পোৱা যায়।

> এই কিৰাহাডিয়ে কিৰাত বুলি পণ্ডিতসকলে মতামত আগবঢ়াইছে।
> তাত কিৰাতক চেপেটা নকা বৰ্বৰ বুলি বৰ্ণনা কৰা হৈছে। "[১২]

বৈদিক আৰ্যভাষীসকলে কিৰাতসকলক ম্লেচ্ছ শব্দেৰে বুজাইছিল। কিৰাতসকলৰ দৰে ম্লেচ্ছসকলো জাত প্ৰথাহীন আছিল তথা তেওঁলোকে আনে বুজি নোপোৱা ভাষা কৈছিল -

> জাত প্ৰথাহীন দেশেই ম্লেচ্ছ দেশ আৰু বৈদিকভাষীসকলৰ দৃষ্টিত অৰ্থহীন ভাষাই ম্লেচ্ছ ভাষা বুলি বিষ্ণু স্মৃতিয়ে ম্লেচ্ছ দেশৰ পৰিচয়ত কৈছে। কিৰাতসকলেও প্ৰথম অৱস্থাত দুৰ্বোধ্য ভাষা কৈছিল। তেওঁলোক জাত প্ৰথাহীন আছিল। সেয়ে কিৰাতৰ প্ৰসংগতে ম্লেচ্ছ শব্দ ব্যৱহাৰ কৰা বুলি কব পাৰি। "[১৩]

মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধত প্ৰাগজ্যোতিষপুৰৰ ৰজা ভগদত্তই কিৰাত আৰু চীনা সৈন্য লৈ কৌৰৱৰ পক্ষত অৱতীৰ্ণ হৈছিল।"[১৪] বিষ্ণুপুৰাণৰ কিৰাত আৰু কামৰূপৰ জনসাধাৰণৰ কথা, শোণিতপুৰৰ বানৰজা আদিৰ কথা বৰ্ণনা কৰা আছে। সেইদৰে প্ৰত্নতাত্বিক সমলেও কিৰাত-কছাৰীসকলৰ অৱস্থিতিৰ উমান দিয়ে। অতীত কামৰূপৰ কিৰাতসকলৰ ধৰ্মীয় দিশৰ প্ৰতিচ্ছবি কামাখ্যা মন্দিৰৰ যোনীগুহাত পোৱা যায়। অতীত অসমত লিঙ্গ আৰু যোনীলিঙ্গ চিহ্নৰ উদ্ধাৰৰ জৰিয়তেও গম পোৱা যায় কিৰাতসকলৰ অৱস্থিতি, কাৰণ কিৰাতসকল আছিল যোনী আৰু লিঙ্গৰ উপাসক। নিলাচল পাহাৰত থকা কামাখ্যা মন্দিৰৰ অতীতৰ নাম গুহাদেৱী বা যোনীদেৱী আছিল। ইয়েই কিৰাত বংশৰ সামাজিক ৰীতি-নীতি আৰু ধৰ্মৰ সম্ভেদ দিয়ে।

মঙ্গোলীয় বা কিৰাতসকলৰ অৱস্থিতি অতি প্ৰাচীন কালৰপৰাই বৰ অসমত পোৱা যায়। কিৰাতসকলৰ বিষয়ে পুৰাণ, মহাভাৰত আদি গ্ৰন্থত বৰ্ণনা আছে। কালিকা পুৰাণত থকা কিম্বদন্তী মতে

---

১২। অসম সাহিত্যসভা ঃ *অসমীয়া জাতিৰ ইতিবৃত্ত,* পৃ ১৯

১৩। শইকীয়া, নগেন ঃ *অসমীয়া মানুহৰ ইতিহাস,* পৃ. ৭২

১৪। দাস, ধ্ৰুৱমনি ঃ *শৰণীয়া জনগোষ্ঠীৰ চমু ইতিবৃত্ত, স্মৃতিগ্ৰন্থ,সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থা,* ২০০৭, পৃ. ৬

কিৰাতসকল প্ৰাগজ্যোতিষপুৰবাসী আছিল। শিৱই কিৰাতসকলক লৈ প্ৰাগজ্যোতিষপুৰত বিৰাজ কৰিছিল। কালিকা পুৰাণত কিৰাতসকলক ম্লেছ বুলিও আখ্যা দিয়া হৈছে। ইয়াৰ উপৰিও কালিকা পুৰাণত কিৰাতসকলক চতুৰ্বৰ্ণহীন, জ্ঞান বিৰৰ্জিত, মদ-মঙহ আসক্ত বুলি কোৱা হৈছে।

"কিৰাতৈৰ্বলিভিঃ ক্ৰুৰৈৰজ্ঞৈৰণি চ বাসিতঃঃ।।

ৰুক্লস্তম্ভনিভাস্তত্ৰ কিৰাতান্ জ্ঞানৰৰ্জিতান্।

অনৰ্থমুণ্ডিতান্ মদ্যমাংসনৈকতৎ পৰান।।"[১৫]

অতি প্ৰাচীন কালৰেপৰাই যে বৰ অসমত কিৰাত-কছাৰীৰ প্ৰভুত্ব আছিল তাক বিভিন্ন দিশত পোৱা তথ্যৰ পৰা অনুধাৱন কৰিব পাৰি।

অমৰকোষ অভিধানেও কিৰাত সকলক 'ম্লেছ' নামেৰে অভিহিত কৰিছিল-

"লোকহয়ং ভাৰতৰৰ্ষং শৰাৰত্যাস্ত যোদৈৰৰৈ ঃ

দেশ প্ৰাগ্‌দক্ষিণ প্ৰাচ্য উদীচ্য পশ্চিমোত্তৰ ঃ

প্ৰত্যন্তে ম্লেছদেশস্যাং মধ্যদেশস্ত মধ্যম ঃ।।"[১৬]

মহাভাৰত, ৰামায়ণ, পুৰাণ আদিত বৰ্ণিত এই কিৰাতসকলেই হৈছে কছাৰীগোষ্ঠীৰ লোকসকল। কিৰাত শব্দটোৰ সমাৰ্থক হিচাপে কছাৰী শব্দটোৰ ব্যৱহাৰ হোৱা দেখা যায়। কিৰাত শব্দটোতকৈ কছাৰী শব্দটো কিছু অৰ্বাচীন। কছাৰী নামটোৰ উৎপত্তি সম্বন্ধে বিভিন্ন মত পোৱা যায়। ৰিছলি (Resley) চাহাবে তেখেতৰ গ্ৰন্থ 'ট্ৰাইব্‌চ এণ্ড কাষ্টচ অৱ বেঙ্গল'ত উল্লেখ কৰা তথ্যৰ উদ্ধৃতি দি 'অসম বুৰঞ্জী'ত এডৱাৰ্ড গেইটে লিম্বু কাহিনীৰ বিষয়ে বৰ্ণনা কৰিছে, য'ত কছাৰী শব্দটোৰ মূল উৎস সম্পৰ্কে বৰ্ণনা কৰা হৈছে।তাৰে আলমত কছাৰী শব্দটোৰ মূল সম্পৰ্কে 'A Brief History of Assam' ত এনেদৰে লিখা হৈছে -

According to the Limbu Tradition - ' It is said that some people came and settled in the Khachar Country which is the name given by the Nepalese to the tract at the foot of the hills between the Brahmaputra and Kosi River. The name 'Kachari' has probably originated from this name'.[১৭]

---

১৫। নাৰ্জী, ভবেন ঃ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি,* ২০০৯, পৃ. ৫

১৬। নাৰ্জী, ভবেন ঃ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি,* ২০০৯, পৃ. ৫

১৭। Acharyya, N.N. ঃ *A Brief History of Assam,* Page no. 83

সেইদৰে কছাৰী শব্দটো সংস্কৃত 'কক্ষাৰত' শব্দৰ পৰা আহিব পাৰে বুলি ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° বাণীকান্ত কাকতি আদি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। কিৰাতসকল সাধাৰণতে ডাঙৰ নদী বা পৰ্বতৰ দাঁতিকাষৰীয়া ঠাইত বসবাস কৰাৰ কাৰণে সংস্কৃত ভাষাৰ 'কক্ষাৰত' শব্দৰ পৰা কক্ষত > কচ্ছত > কচ্ছৰৰ লগত অৰি যোগ হৈ কচ্ছ + অৰি > কছাৰী নামৰ উৎপত্তি হয় বুলি বিভিন্নগৰাকী পণ্ডিতে মত প্ৰকাশ কৰিছে।

> According to sir Edward Gait - The word 'Khachar' is derived from a sanskrit word meaning a 'Broadening region'.[১৮]

কছাৰীসকল কোচসকলৰ লগত বহুত আগৰে পৰাই ঘনিষ্ঠ আছিল। এই সম্পৰ্কে এডৱাৰ্ড গেইটে এনেদৰে লিখিছিল 'The Kacharis are believed to be very closely allied to the Koches', সেইদৰে গ্ৰীয়াৰ্চন চাহাবেও 'কছাৰী' শব্দটো কোচ শব্দৰ পৰা সাধিত হোৱা বুলি কব খোজে। তেওঁৰ মতে-

> "The Derivation of Kachari from koss- arui, is, moreover, nothing but a hypothesis, and can not, as yet, be proved by any historical facts" [১৯]

এই কোচ সকলৰ লগত কছাৰীসকলৰ শত্ৰুতা হোৱাৰ পৰাও কছাৰী শব্দৰ উৎপত্তি হব পাৰে বুলি পণ্ডিতসকলে মন্তব্য কৰে। 'কাছাড়েৰ ইতিবৃত্ত' নামৰ পুথিত উপেন্দ্ৰ নাথ গুহই 'কছাৰী' শব্দটোৰ উৎপত্তি সম্পৰ্কে এনেদৰে উল্লেখ কৰিছে - "বহু বছৰ ধৰি যিখিনি মংগোলীয়গোষ্ঠীৰ হকে কোচসকলৰ লগত শত্ৰু ভাবপন্ন হৈ যুদ্ধ কৰিছিল তেওঁলোককে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন আন অধিবাসীসকলে 'কোচ + অৰি' (কোচৰ শত্ৰু) কছাৰী বুলি অভিহিত কৰিছিল। অৱশ্যে এই ক্ষেত্ৰত মতানৈক্য নোহোৱাও নহয়। কোনো কোনো পণ্ডিতে কব খোজে যে কছাৰীসকলে নিজকে কেতিয়াও কোচ-অৰি বুলি উচ্চাৰণ নকৰে। কোচসকলেও নিজকে কছাৰী বুলি নামাতে।

পৌৰাণিক প্ৰবাদ মতে কছাৰীসকলৰ দুটা শাখা আছিল। এটা শাখাই শদিয়াত শাসন কৰিছিল আৰু আনটোৱে ব্ৰহ্মপুত্ৰৰ দক্ষিণত ডিমাপুৰ, মাইবং আৰু খাছপুৰত ৰাজধানী পাতি ৰাজ্য শাসন কৰিছিল।

---

১৮। Gait, Sir Edward : *A History of Assam,* Page no. 299

১৯। Bordoloi, B.N, Sarma Thakur, G.C : *Tribes of Assam, P II,* Page no. 88

কছাৰীসকলৰ দক্ষিণ শাখাটোৱে নিজকে ভীমৰ পুত্ৰ ঘটোৎকছৰ বংশধৰ বুলি দাবী কৰিছিল। কিয়নো ঘটোৎকছৰ মাতৃ তথা ভীমৰ পত্নী হিৰিম্বাই কছাৰী ৰাজ্যৰ ৰাজকুমাৰী আছিল। পণ্ডিতসকলে এই ঘটোৎকছ শব্দৰ পৰাই কছাৰী শব্দৰ উৎপত্তি হোৱা বুলি ধাৰণা কৰে।

কছাৰী শব্দটোৰ উৎপত্তি যৰ পৰাই নহওক কিয় এইটো ঠিক যে কিৰাত শব্দটোৰ ব্যৱহাৰৰ পৰৱৰ্তী পৰ্যায়ৰ পৰাই কছাৰী শব্দটোৰ প্ৰচলন হৈ আহিছে। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিত কিৰাত শব্দটোহে ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী পৰ্যায়ত বিশেষকৈ কামৰূপত পালবংশৰ পতনৰ লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকাত অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ৰাজ্য গঠিত হৈছিল। তেতিয়াৰ পৰাই কছাৰী নামটোৰ ধাৰাবাহিক প্ৰচলন হোৱা দেখা যায়। ভাষাগতভাৱে এই কছাৰীসকল বড়ো শাখাৰ অন্তৰ্গত হলেও ইতিহাসৰ কোনোবা সময়ৰ পৰাই কছাৰী হিচাপে চিহ্নিত হৈ আহিছে। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত কছাৰীসকলে ৰাজ্য গঠন কৰিছিল আৰু ইয়াৰ সীমা নগাওঁলৈ বিয়পি আছিল। সেই সম্পৰ্কে বুৰঞ্জীয়েও সাক্ষ্য দিয়ে।

> “এই দেশখন কেইবাভাগে বিভক্ত আছিল। সেই ভাগবোৰত চুতীয়া, মৰাণ, মটক,
> বৰাহী ও কছাৰি এবং কোচ, এই এই জাতিৰ লোকে ৰজা হৈ ৰাজত্ব কৰিছিল।” [২০]

পোন প্ৰথমে ‘কছাৰী’ শব্দটো তথ্য সহকাৰে ১৬৫৮ শকত ৰজা কীৰ্তিচন্দ্ৰই ‘কছাৰীৰ নিয়ম’ বুলি এখন পত্ৰত উল্লেখ কৰিছিল বুলি ছাৰ এডৱাৰ্ড গেইটে কয়। তেখেতৰ মতে -

> "The earliest use of the word in their own records, with which I am acquainted, is in a letter of appointment by Raja Kirti Chandra, dated 1658 sak, in which 'Kacharir niyam', or the practic of the Kacharis, is referred to" [২১]

ছাৰ এডৱাৰ্ড গেইটে কছাৰী শব্দৰ উল্লেখ প্ৰথম ১৬৫৮ চনত কৰা বুলি লিখিছে যদিও ১২২৮ খৃষ্টাব্দৰ আগৰ পৰাই অৰ্থাৎ আহোমসকলে অসমত পদাৰ্পন কৰাৰ আগৰ পৰাই বিভিন্ন লিপি আৰু বুৰঞ্জী সাহিত্যৰ পাতত ধাৰাবাহিকভাৱে কছাৰী নামৰ উল্লেখ পোৱা যায়। ইয়াৰ প্ৰমাণ বহু কেইখন অসম বুৰঞ্জীয়ে দিয়ে।

ত্ৰয়োদশ শতিকাৰ আদিভাগত আহোমসকলৰ অসম আগমনৰ সম-সাময়িক ভাৱে অসমত

---

২০। তামুলী, লক্ষ্মীনাথ (সম্পা.) ঃ *অসম বুৰঞ্জী, পদ্মেশ্বৰ নাওবৈছা ফুকন,* পৃ. ০.০৮

২১। Gait, Sir Edward ঃ *A History of Assam,* Page no. 300

কেইবাজনো ৰজাই সুকীয়া সুকীয়াকৈ ৰাজত্ব চলাইছিল। কছাৰী ৰাজ্য, বৰাহী ৰাজ্য, চুতীয়া ৰাজ্য,মৰান ৰাজ্য, ডফলা ৰাজ্য, দৰঙ্গী ৰাজ্য, ভুএগ্রা ৰাজ্য আদিত ৰাজত্ব কৰা ৰজাসকলৰ বেছিভাগে জনজাতীয় মূলৰ আৰু বেছিসংখ্যক প্ৰজাই আছিল জনজাতীয় মূলৰ। এই আটাইবোৰ জনজাতিয়ে মংগোলীয় প্ৰজাতিৰ আছিল। সেই সময়ত বড়ো, ৰাভা, কাৰ্বি, তিৱা বুলি কোনো সুকীয়া জনগোষ্ঠীৰ নামৰ প্ৰচলন হোৱা নাছিল। অৱশ্যে শৰণীয়া শব্দটো আহোম ৰাজত্বৰ সময়ৰ পৰাই বহুক্ষেত্ৰত বিশেষকৈ ৰাজনৈতিক দিশত বশ্যতা স্বীকাৰ কৰা লোকক বুজাবলৈ ব্যৱহাৰ হৈ আহিছে। সেইদৰে শৰণীয়া-কছাৰী শব্দটো আহোম ৰাজত্বৰ সময়ছোৱাত তথা মহাপুৰুষ শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ সময়ত বৈষ্ণৱ ধৰ্মত আনুগত্য দেখুওৱা কছাৰী লোকক শৰণীয়া-কছাৰী বোলা হৈছে। সেই সময়ত কছাৰী শব্দটোৰহে অধিক প্ৰচলন আছিল। কছাৰী শব্দটোৱে বেছিভাগ ক্ষেত্ৰতে অসমৰ প্ৰায়সংখ্যক জনজাতিকে বুজাইছিল। বহুতো জনজাতিৰ নামৰ পিছত কছাৰী শব্দটোৰ সংযোগ কৰিছিল আৰু সেই ধৰণেৰেই আন জাতি বা জনজাতিৰ লোকে তেওঁলোকক সম্বোধন কৰিছিল। যেনে - বৰাহী-কছাৰী, মৰাণ-কছাৰী, শৰণীয়া-কছাৰী, ডিমাছা-কছাৰী ইত্যাদি। অসম বুৰঞ্জীতো ইয়াৰ উল্লেখ এনেদৰে আছে --

> "ন কছাৰি, ঠেঙ্গাল কছাৰি, সৰু কছাৰি এবং মৰঙ্গিয়াল কছাৰি
> এইবোৰ প্ৰজাক কোন্ ৰজা ডাঙ্গৰিয়াৰ সময়ত ৰনুয়া পাতিলে?" [২২]

বৰ্তমান বড়ো গোষ্ঠীৰ অন্তৰ্গত বুলি যিসমূহ নৃ-গোষ্ঠীক কোৱা হয়, প্ৰথম অৱস্থাত সম্ভৱত সকলোবোৰেই বৃহৎ কছাৰী গোষ্ঠীৰ অন্তৰ্ভুক্ত আছিল। অৱশ্যে কছাৰী শব্দটোৱে এক বৃহৎ সংখ্যক জনজাতীয় মূলৰ প্ৰজাক বুজাইছিল। অৰ্থাৎ 'কছাৰী' নামটোৱে প্ৰায় সকলো মংগোলীয় নৃ-গোষ্ঠীকে বুজোৱা হৈছিল। সেইদৰে বুৰঞ্জী সাহিত্যৰ পাততো কছাৰী নামটোৱেই পোৱা যায়।

> "গোহাঞিবোৰে কছাৰীয়েৰে প্ৰীতি নহে আমি বঙ্গলেৰে যুদ্ধ কৰিলে
> পাচে কাৰ্যত বৈগুণ্য পৰিব।এতেকে শীতলিয়া কটকীক পঠাই কছাৰীক
> নিৰ্ভয় দিব লাগে।" [২৩]

---

২২। তামুলী, লক্ষ্মীনাথ ঃ *অসম বুৰঞ্জী, পদ্মেশ্বৰ নাওবৈছা ফুকন,* পৃ. ০.১৮

২৩। ভূএগ্রা, সূৰ্য্য কুমাৰ ঃ *সাতসৰী অসম বুৰঞ্জী,* পৃ. ৭৮

"কছাৰীয়ে বোলে - আতি বৰকথা। তিনি পুৰুষ আতে আঁছো,
কোনো অধিকাৰ নহ'ল। এতিয়া অধিকাৰৰ প্ৰমাণ কি?" [২৪]

সেই সময়ত কছাৰী নামটোৰ বহুল ব্যৱহাৰলৈ চাই অসমৰ জনগোষ্ঠীৰ বেছি সংখ্যকে কছাৰী মূলৰ আছিল বুলি অনুমান কৰিব পাৰি। বৰ্তমান বড়ো গোষ্ঠীৰ অন্তৰ্গত বুলি যিকেইটা জনগোষ্ঠীৰ বিষয়ে আলোচনা কৰা হয়, সেই জনগোষ্ঠীসমূহক কছাৰীগোষ্ঠীৰ অন্তৰ্গত বুলি ধৰি লৈ আলোচনা কৰিলে অধিক যুক্তিসংগত হব যেন লাগে। কিয়নো ইতিহাসে ঢুকি নোপোৱা কালৰে পৰাই এই জনগোষ্ঠীসমূহক কিৰাত, ম্লেছ আৰু পিছৰ পৰ্যায়ত 'কছাৰী' নামেৰে অভিহিত কৰা হৈ আহিছিল। ঊনবিংশ শতিকাৰ পৰাহে ধাৰাবাহিক ভাবে 'বড়ো' শব্দটোৰ বহুল প্ৰচলন হবলৈ ধৰে।

"১৮৪৬ চনত প্ৰখ্যাত ভাষা বিজ্ঞানী বি.এইচ.হগছন চাহাবে তিব্বত বৰ্মী জনগোষ্ঠীৰ ভাষাসমূহৰ আলোচনাত পোন প্ৰথমে "বড়ো" শব্দটিৰ প্ৰয়োগ কৰে।" [২৫]

বড়ো কছাৰীয়ে কেৱল বড়ো (Boro) জনগোষ্ঠীক আৰু কছাৰী শব্দটোৰে বড়ো, ৰাভা, ডিমাছা, তিৱা, সোণোৱাল কছাৰী, মেছ কছাৰী, ঠেঙাল কছাৰী, শৰণীয়া কছাৰী আদি জনগোষ্ঠীক বুজায়।

"কছাৰী শব্দটো হ'ল অসমৰ বডোমূলীয়া (বড়োমূলীয়া নহয়) লোকৰ উমৈহতীয়া পৰিচয়।" [২৬] এই কিৰাত আৰু কছাৰী গোষ্ঠীৰ পৰাই সৃষ্টি হৈছে বড়ো, ৰাভা, ডিমাছা, শৰণীয়া, ৰাজবংশী, লালুং, ঠেঙ্গাল, সোণোৱাল, হাজং, মেচ, ফুলগৰীয়া, মৰাণ, ধিমান ইত্যাদি।" [২৭]

ইতিহাসে ঢুকি পোৱা কালৰে পৰাই অসমত থকা মংগোলীয়সকলৰ এটা ঠাল কছাৰী হিচাপে পৰিচিত হৈ আহিছে। কছাৰী ঠালৰ অন্তৰ্গত বিভিন্ন লোকসকলে থকা ঠাই অনুসৰি, শৰণ লোৱা অনুসৰি, প্ৰাকৃতিক অৱস্থান অনুসৰি বিভিন্ন নামেৰে বিভিন্ন সময়ত পৰিচিত হৈ আহিছে। যেনে - পৰ্বতত বাস কৰা কছাৰীসকলক পৰ্বতীয়া-কছাৰী; নদীৰ দাঁতিত বাস কৰা সকলক দাঁতিয়াল-কছাৰী, ব্ৰহ্মপুত্ৰ উপত্যকাৰ

---

২৪। ভূঞা, সূৰ্য্য কুমাৰ ঃ *সাতসৰী অসম বুৰঞ্জী,* পৃ. ২৬

২৫। লেডী, নাৰায়ন গনেশ (মুখ্য সম্পা.) ঃ *অসমৰ ভাষা,* পৃ. ১১৮

২৬। হোছেইন, ইছমাইল ঃ *শৰণীয়া কছাৰীৰ বঞ্চনাৰ ইতিহাস,* পৃ. ৬১

২৭। হুজুৰী, ধনেশ্বৰ ঃ *শৰণীয়া কছাৰী অসমৰ প্ৰাচীন জনগোষ্ঠী,* স্মৃতিগ্ৰন্থ, ২০১৫, পৃ. ৪৮

অধিবাসীসকলক ভৈয়ামৰ কছাৰী, শৰণ লোৱা কছাৰীসকলক শৰণীয়া-কছাৰী ইত্যাদি। ইয়াৰ উপৰিও গোষ্ঠীগত হিচাপে পোৱা নামৰ পিছফালেও কছাৰী শব্দ সংযোগ কৰি তেনে জনগোষ্ঠীক কছাৰী বোলা হৈছিল। যেনে - মৰাণ-কছাৰী, চুতীয়া-কছাৰী ইত্যাদি।

**১.২ শৰণীয়া-কছাৰী শব্দৰ উৎপত্তি ঃ**

অসমৰ এক অন্যতম প্ৰাচীন জনগোষ্ঠী হৈছে কিৰাত-কছাৰী গোষ্ঠীৰ অন্তৰ্গত শৰণীয়া-কছাৰীসকল। জাতিগত ভাবে 'শৰণীয়া-কছাৰীসকল' মংগোলীয় গোষ্ঠীৰ লোক। ভাষাগত ভাবে চীন তীব্বতীয় ভাষা পৰিয়ালৰ আছিল যদিও কিন্তু সময়ৰ গতিত তীব্বতবৰ্মী, অষ্ট্ৰিক, ইণ্ডোআৰ্য আদি ভাষাৰ সংমিশ্ৰণত সৃষ্টি হোৱা আৰ্যমূলীয় অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰা দেখা যায়। অৱশ্যে তেওঁলোকে কোৱা মান্য অসমীয়া ভাষাৰ মাজত জনজাতীয় সুৰ সুস্পষ্ট।

'শৰণীয়া-কছাৰী' জনগোষ্ঠীৰ ইতিহাস বিচাৰিবলৈ যোৱাৰ আগেয়ে 'শৰণীয়া-কছাৰী' নামটোৰ উৎপত্তি সম্পৰ্কে জানি লোৱাটো অধিক প্ৰয়োজনীয়। 'শৰণীয়া' শব্দটোৰ উৎপত্তি 'শৰণ' শব্দৰ পৰা হোৱা বুলি ভাষাবিদসকলে ক'বলৈ বিচাৰে। শৰণীয়া শব্দটো বিশেষণ বাচক শব্দ। শৰণীয়া শব্দৰ আভিধানিক অৰ্থ শৰণ লোৱা কাৰ্য। হেমচন্দ্ৰ বৰুৱাই 'হেমকোষ'ত 'শৰণীয়া' শব্দৰ অৰ্থ দুইধৰণে দিছে -

এটা হৈছে 'শৰণ বা আশ্ৰয় লোৱা। অৰ্থাৎ কোনো ধৰ্মত শৰণ লোৱা বা আশ্ৰয় লোৱা।

হিন্দু ধৰ্ম লোৱা যেনে- শৰণীয়া-কছাৰী। আনটো হৈছে শৰণীয়া এটা উপাধি।"[২৮]

ড° মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰকাশিত 'চন্দ্ৰকান্ত অভিধান'ত শৰণীয়া শব্দটো বিশেষ্য পদ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। ২০০১ চনত প্ৰকাশিত এই অভিধানত অৰ্থ দিয়া হৈছে এনেদৰে - বৈষ্ণৱ ধৰ্মত শৰণ লোৱা এক শ্ৰেণীৰ জনজাতীয় লোক। সাধাৰণ অৰ্থত 'শৰণ' মানে ধৰ্মত শৰণ লোৱা, ৰজাত শৰণ লোৱা বা নেতাত শৰণ লোৱা ইত্যাদি বুজায়। ধৰ্মীয় দৃষ্টিকোণেৰে চালে শৰণ মানে বৈষ্ণৱ ধৰ্মত আশ্ৰয় লোৱা বা আত্মসমৰ্পণ কৰা বুজায়। আনহাতে ৰাজনৈতিক দৃষ্টি কোনেৰে চালে 'শৰণীয়া' শব্দটোৱে কাৰোবাৰ অধীনস্থ বা বহতীয়া হোৱা বুজায়। দেওধাই অসম বুৰঞ্জীত শৰণীয়া বঙ্গাল সম্পৰ্কে এনেদৰে উল্লেখ পোৱা যায় --

---

২৮। বৰুৱা, হেমচন্দ্ৰ ঃ *হেমকোষ*, পৃ. ১২১২

"ৰাজা জয়দেউ, গন্ধৰ্ব্বৰায়, ৰাজাৰায়, কালাৰায়, হৰিৰায়, প্ৰতাপসিংহ, ইন্দ্ৰমণি, নৰসিংহৰায়, ভবান বক্সি এই আঠ ৰাজা দন্তে খেৰ ধৰি বোলে, দেৱৰ শৰণীয়া গোলাম হৈলো। আমাক ৮ ক নাকাটিব।" [২৯]

সেইদৰে সাতসৰী অসম বুৰঞ্জীত এনেদৰে আছে -

সেইকথা আলিয়াৰ খাঁকে লেঙ্গা পোলোঙ্গা দুইক পঠাই মহাৰাজাৰ চৰনলৈ জনাই আহিল, বোলে, চন্দ্ৰ নাৰায়নক মোৰ ঠাইক দি আহক। মহাৰাজে বোলে শৰাণগতক কিয় এৰি দিমহু কন্দলৰ এয়ে এক কাৰণ।" [৩০] পাছে কলিয়াবৰৰ পৰা ভাতধৰা গুৱাহাটীৰ মঞ্চুৰ-খাঁৰ ঠাইলৈ গৈ বোলে, মোৰ ভাই-বন্ধুসকলকে আহমে মাৰিলে। এখন মঞি তোমাৰ কদমতলত শৰণাগত হৈছোহি। মোক ৰক্ষা কৰা।" [৩১]

উক্ত কথাৰ পৰা অনুমান কৰিব পাৰি যে ধৰ্মীয় আৰু ৰাজনৈতিক দিশত আত্মসমৰ্পণ কৰা লোকক শৰণীয়া বোলা হৈছিল যদিও ধৰ্মীয় দিশত আত্মসমৰ্পণ কৰা জনগোষ্ঠীৰ ক্ষেত্ৰত 'শৰণীয়া-কছাৰী' শব্দটো অধিক প্ৰচলিত হৈছিল। বৈষ্ণৱ ধৰ্মত শৰণ লৈ একাংশ জনজাতিয়ে নিজকে শৰণীয়া-কছাৰী হিচাপে পৰিচয় দিছিল আৰু আন জাতি-জনজাতিয়েও তেওঁলোকক শৰণীয়া-কছাৰী নামেৰে অভিহিত কৰিছিল সেইদৰে চুটীয়া সকলৰ অত্যাচৰত তিষ্ঠিব নোৱাৰি শদিয়াত ৰাজত্ব কৰি থকা কছাৰীসকলকো শদিয়াৰ পৰা বিতাৰিত হোৱা কাৰণে তেওঁলোকক 'শদিয়াল-কছাৰী' বুলি কৈছে। ইয়াৰ উপৰিও যিসকল জনজাতিয়ে কোনো নদীৰ পাৰত বা দাঁতিত বাস কৰিছিল সেই জনজাতিসকলক দাঁতিয়াল কছাৰী বোলা হৈছিল বুলি আৰ.এছ.এণ্ডেলে 'The Kachari' [৩২] নামৰ, গ্ৰন্থখনত মন্তব্য কৰিছিল। সেই হিচাপে বৈষ্ণৱ ধৰ্মত শৰণ লোৱা এচাম জনজাতি বা কছাৰীলোকক শৰণীয়া-কছাৰী বোলাতো স্বাভাৱিক। এই কথাখিনিকে প্ৰায়ভাগ বিদ্বান লোকে গ্ৰহণ কৰা দেখা যায়। 'শৰণীয়া-কছাৰী' গোষ্ঠীৰ অন্তৰ্গত লোকসকলেও ইয়াকে মানি লোৱা দেখা যায়। নলিনী ডেকাৰ মতে --

---

২৯। হোছেইন, ইছমাইল ঃ *শৰণীয়া কছাৰী বঞ্চনাৰ ইতিহাস,* পৃ. ১৪

৩০। ভূঞা, সূৰ্য্য কুমাৰ ঃ *সাতসৰী অসম বুৰঞ্জী,* পৃ. ৮০

৩১। ভূঞা, সূৰ্য্য কুমাৰ ঃ *উক্ত গ্ৰন্থ,* পৃ. ৯৮

৩২। Endle, R.S. ঃ *The Kachari,* Page no. 83

"বিভিন্ন সময়ত মংগোলীয় (কিৰাত) গোষ্ঠীৰ বড়ো, ৰাভা, মিকিৰ, লালুং, গাৰো আদি লোকে নিজ ধৰ্ম পৰিত্যাগ কৰি কোনো গুৰুত শৰণ লই হিন্দু ধৰ্ম গ্ৰহণ কৰি ধৰ্মান্তৰিত হয়, সেই ধৰ্মান্তৰিত লোকসকলেই কালৰ সোঁতত শৰণীয়া কছাৰী হিচাপে পৰিচিত হয়।" ৩৩

অৱশ্যে এই ক্ষেত্ৰত এটা কথা মনকৰিবলগীয়া যে হিন্দু ধৰ্মত শৰণ লোৱা আন বহুতো জনগোষ্ঠী আছে যদিও সেই জনগোষ্ঠীসমূহৰ সকলোৱে কিন্তু শৰণীয়া-কছাৰী নামেৰে পৰিচিত হোৱা নাই। কেৱল এক শ্ৰেণীৰ জনগোষ্ঠীয়েহে শৰণীয়া-কছাৰী হিচাপে বিভূষিত হৈছে। উদাহৰণ স্বৰূপে বড়ো, ৰাভা, মিচিঙকে ধৰি আন জনগোষ্ঠীসমূহৰ মাজতো বহুতো হিন্দু ধৰ্মত শৰণ হোৱা লোক আছে। কিন্তু তেওঁলোক শৰণীয়া-কছাৰী হিচাপে জনজাত হোৱা নাই। বড়ো, ৰাভা, মিচিং হিচাপেই জনজাত হৈ আছে আৰু এইটোৱেই হৈছে শৰণীয়া-কছাৰী জনজাতিটোৰ বিশেষত্ব।

ভবেন নাৰ্জাৰীয়ে 'শৰণীয়া-কছাৰী' সম্পৰ্কে এনেদৰে মন্তব্য দিছে-

"কিছুমান বড়ো কছাৰীয়ে আৰ্যগোষ্ঠীৰ কোনো গোস্বামীক গুৰু মানি তেওঁৰ পৰা মন্ত্ৰ দীক্ষিত হৈ ভগৱানৰ পৰা শৰণীয়া বুলি জনজাত হয়।" ৩৪

ইছমাইল হোছেইনৰ মতে -

"খ্ৰীষ্টাব্দ পূৰ্ব চতুৰ্থ, পঞ্চম, ষষ্ঠ আৰু সপ্তম শতিকা মানত উপৰি উক্ত কছাৰী মূলৰ যিসকল লোকে বিভিন্ন কাৰণত তেওঁলোকৰ স্বকীয় আধ্যাত্মিক পৰম্পৰা এৰি হিন্দু ধৰ্মীয় আচাৰ পৰম্পৰা গ্ৰহণ কৰি ধৰ্মান্তৰ হৈছিল তেওঁলোকেই পিছৰ পিনে শৰণীয়া বুলি পৰিচিত হ'ল। হিন্দু ধৰ্মৰ নামত গঢ় লৈ উঠা ব্যাভিচাৰ ৰোধ কৰি শংকৰদেৱে এক সাত্বিক ধৰ্মীয় ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ পিছতো কছাৰীসকলৰ এক ব্যাপক অংশই একশৰণ ধৰ্মত শৰণ লৈ শৰণীয়া পৰিচিতিক অধিক সমৃদ্ধ কৰে।" ৩৫

এই ক্ষেত্ৰত এটা কথা ক'ব লাগিব যে যিখিনি জনজাতীয় লোকে নিজকে শৰণীয়া-কছাৰী বুলি পৰিচয়

---

৩৩। ডেকা, নলিনী ঃ *শৰণীয়া বুৰঞ্জী আৰু শৰণীয়া ভাষাৰ চমু আভাস*, স্মৃতিগ্ৰন্থ, ২০০৫ পৃ. ৪

৩৪। নাৰ্জী, ভবেন ঃ *বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি*, ২০০৯, পৃ. ১৮

৩৫। হোছেইন, ইছমাইল ঃ *শৰণীয়া কছাৰীৰ বঞ্চনাৰ ইতিহাস*, পৃ. ৫২

দিছিল, তেওঁলোকৰ ভিতৰত বড়ো, ৰাভা, কছাৰী আদি বিভিন্ন জনগোষ্ঠীৰ কিছুসংখ্যক লোক আছিল। পিছলৈ তেওঁলোকো শৰণীয়া-কছাৰী জনজাতিৰ অন্তৰ্ভুক্ত হৈ পৰে।

বিভিন্নজন ব্যক্তিৰ মন্তব্যৰ পৰা প্ৰতীয়মান হয় যে 'শৰণীয়া-কছাৰীসকল' প্ৰধানত বৈষ্ণৱ ধৰ্মত শৰণ লৈ সুকীয়া হিচাপে পৰিচিতি লাভ কৰা এটা জনগোষ্ঠী। তেওঁলোক প্ৰধানত কিৰাত কছাৰী গোষ্ঠীৰ অন্তৰ্গত। তেওঁলোকৰ মাজত জনজাতীয় বৈশিষ্ট্য বিদ্যমান। প্ৰাক-বৈষ্ণৱ যুগৰ পৰাই কছাৰী গোষ্ঠীৰ অন্তৰ্গত কিছুমান জনজাতীয় লোকে হিন্দু ধৰ্মত শৰণ লৈ কছাৰী গোষ্ঠীৰ মূলসুঁতিৰ পৰা কিছু কিছু দিশত ফালৰি কাটি আহে। ভাষা আৰু কৃষ্টি-সংস্কৃতিৰ দিশত আৰ্যমূলীয় ভাষা কৃষ্টিৰ লগত সংমিশ্ৰণ হৈছে যদিও শৰণীয়া-কছাৰী লোকসকলে স্বকীয়তাক সম্পূৰ্ণৰূপে বিসৰ্জন দিব পৰা নাছিল। তেওঁলোক হিন্দু ধৰ্মৰ দেৱ-দেৱীৰ উপাসক হ'লেও প্ৰধানত জনজাতীয় উপাস্য দেৱতা মহাদেৱৰ, যাক শৰণীয়া কছাৰীৰ লোকসকলে 'পাগ্‌লাহাৰা' বুলি কয়, তাৰ প্ৰভাৱ বেছি। আৰ্যমূলীয় অসমীয়া ভাষা ক'লেও তাৰ মাজত জনজাতীয় ঠাঁচ বিদ্যমান। সেইদৰে শাৰীৰিক গঠনৰ দিশৰ পৰাও জনজাতীয় বৈশিষ্ট্য থকা দেখা যায়। শৰণীয়া-কছাৰীসকল যে কছাৰীগোষ্ঠীৰে অন্তৰ্গত এটি অন্যতম স্বকীয় জনগোষ্ঠী সেই সম্পৰ্কে R.S.Endle . য়ে তেওঁৰ 'The Kachari' শীৰ্ষক গ্ৰন্থত উল্লেখ কৰিছে। তেখেতে ব্ৰহ্মপুত্ৰ নদীক বিভাজনকাৰী ৰেখা হিচাপে লৈ বৃহৎ কছাৰী গোষ্ঠীক প্ৰধান দুটা ভাগত ভাগ কৰিছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কিছুমান জনগোষ্ঠীক ৰাখিছে আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে কিছুমান জনগোষ্ঠীক ৰাখিছে। উত্তৰ পাৰৰ জনগোষ্ঠীসমূহৰ ভিতৰত শৰণীয়া জনগোষ্ঠীৰ লোকসকলকো অন্তৰ্ভূক্ত কৰিছে। R.S.Endle য়ে সেইসমূহ জনগোষ্ঠীকহে এই দুটা শাখাত অন্তৰ্ভূক্ত কৰিছে যি সমূহ জনগোষ্ঠীয়ে নিজৰ মাতৃ ভাষা হেৰুৱাই পেলাইছিল বা নকৈছিল। তেখেতে 'The Kachari' শীৰ্ষক গৱেষণামূলক গ্ৰন্থত এনেদৰে উল্লেখ কৰিছে -

> "But apart from these outlying members of the race, there are within the limits of assam itself at least 1000,000 souls probably many more, who belong to the Kachari race; though many of the member have of late years become more or less hinduised and have lost the use of their mother tongue." [৩৬]

---

৩৬ | Endle, R.S. ঃ *The Kachari,* Page no. 5

R.S.Endle য়ে 'The Kachari' গ্ৰন্থত বৃহৎ কছাৰীগোষ্ঠীক সিপিঠিত দিয়া ধৰণে দুটা ভাগত ভাগ কৰি দেখুৱাইছে।

| Name | Approximate Numbers | Chief Habitat |
|---|---|---|
| | I. Northern Group | |
| 1. Bara (Kachari)..... | 272,500 | Western Darrang, Kachari Duars, and in North Kamrup |
| 2. Rabha (Totala)..... | 31,370 | Goalpara |
| 3. Mech (Mes)........ | 93,900 | Do |
| 4. Dhima ................ | (See Bryan Hodgson) | North East Bengal |
| 5. Koch ................. | 10,300 | On Northern Frontier from Jalpaiguri to North-West Darrang |
| 6. Solanimiyas ........ | 15-18 Families only | Only in Mangaldai Sub-Division |
| 7. Mahaliyas, Phulgariyas, Saraniyas ....... | | Western Darrang. all slightly Hinduised Kacharis |
| | II. Southern Group | |
| 1. Di-ma-sa- "big-water-folk"... | 15,931 | North Kachar Hills |
| 2. Hojais ................ | 2,750 | Do. and Nawgong |
| 3. Lalungs ............... | 40,160 | South-West Nowgong and adgoining Districts |
| 4. Garos ................. | 150,000 | On Garo Hills and at foot of same |
| 5. Haigongs .............. | 8,766 | On Plains adgoining Southern Slope of the Garo Hills |
| 6. Hill Tippera (Tripura) People.............. | 105,850 | Hills Tippera & C |

ইয়াৰ উপৰিও এই তালিকাখনত অন্তৰ্ভূক্ত নকৰা আৰু দুটা জনজাতীয় জনগোষ্ঠীৰ বিষয়ে আৰ.এছ. এণ্ডেলে কৈছে যিয়ে উজনি অসমত বাস কৰে। সেই দুটা জনগোষ্ঠী হ'ল মৰাণ আৰু চুতীয়া। এই দুয়োটাকে

তেখেতে বৃহৎ কছাৰীগোষ্ঠীৰ লগত অধিক ঘনিষ্ঠ বুলি কৈছে -

> "To these may be added one or two smaller communities, e.g, the Morans and the Chutiyas in upper assam, whose language, not altogether extinct as yet though apparently dying out rapidly, would seem to prove them to be closely akin to the Kachari (Bada) race." [৩৭]

ইয়াৰ পৰা গম পোৱা যায় যে উল্লেখিত প্ৰতিটো জনগোষ্ঠীয়ে সেই সময়ত ঘৰুৱা পৰিৱেশত মাতৃভাষা কৈ বাহিৰৰ পৰিৱেশত অসমীয়া বা আন ভাষা কৈছিল। তেখেতে তালিকাখনত Northern Group ৰ ৭ নম্বৰত মহলীয়া, ফুলগৰীয়া আৰু শৰণীয়াৰ কথা কৈছে যিয়ে হিন্দু ধৰ্মত দিক্ষীত হোৱা কছাৰী বুলি দেখুৱাইছে। অৰশ্যে তেখেতে শৰণীয়াসকলৰ সংখ্যাগত দিশৰ বিষয়ে একো উল্লেখ কৰা নাই।

**১.৩ শৰণীয়া কছাৰীসকলৰ জনসংখ্যা ঃ**

১৮৮১ চনৰ ‘Assam Schedule Tribes in process of conversation’ ত দিয়া তালিকা আৰু ১৮৯১ চনৰ 'On the castes and Tribes of Assam' ত দিয়া তালিকাত বিভিন্ন জনজাতি, যেনে- ৰাভা, মদাহী, মহলীয়া, হেৰমীয়া, সৰুকোচ, বৰকোচ আদিৰ লগতে শৰণীয়াসকলকো অৰ্ন্তভুক্ত কৰিছে। 1891 চনৰ On the Report of the Census of Assam ত শৰণীয়া-কছাৰীৰ সংখ্যা জিলা অনুসৰি 26,248 জন বুলি দেখুৱাইছে। অৰশ্যে এই তালিকাখনত শৰণীয়াসকলক কোচৰ এটি উপজাতি বুলি দেখুৱাইছে। তেওঁলোকক শৰণীয়া-কছাৰীৰ সলনি শৰণীয়া-কোচ বুলি কৈছে।” [৩৮]

১৮৮১ চনৰ লোকপিয়ল মতে ---

| **জনগোষ্ঠী** | **জনসংখ্যা** |
|---|---|
| ৰাভা | ৫৬,২৮৫ |
| মদাহী | ১৩,১৪৫ |
| মহলীয়া | ৬,১৯৮ |
| শৰণীয়া | ৪,৭১৮ |

৩৭। Endle, R.S. ঃ *The Kachari,* Page no. 5

৩৮। Census of India - 1961. ঃ *Scheduled Tribes and Scheduled Castes, Part V-A, Chapter-VI, Vol-III, Assam,* Page no. 50

টোটোলা ২,৫৩৯” [৩৯]

ইয়াৰ উপৰিও Mr. W.W. Hunter চাহাবৰ ‘A Statistical Account of Assam’ Vol-I ত ১৮৭৯ চনৰ সৰ্বভাৰতীয় লোকপিয়লত শৰণীয়া কছাৰীসকলকো গাৰো, কছাৰী, ৰাভা, লালুং, মিকিৰ আদিৰ দৰে খিলঞ্জীয়া জনগোষ্ঠী বুলি উল্লেখ কৰিছে।

> "Kamrup district, as might be expected from its comprising the ancient religious capital of gauhati, contains a larger Hindu population of good caste than any other district of assam. More them one half of the total number both of Brahmans and of Kalitas in the entire province are to be found in this single district; Sunris again, and Vaishnavs, ars exceptionally numerous. the Muhammadans also number more then in any other district except Goalpara. among semi-Hinduized aborigines, the Koch, the Chandals, and the Doms; and among the aboriginal tribes, the Cacharis, the Rabhas, the Saraniyas, and the Mikirs, are the most Conspicuous. The Saraniyas, indeed are almost entirely confined to this district." [৪০]

হাণ্টাৰে, 'A Statistical Account of Assam' গ্ৰন্থত মেছসকলক শৰণীয়া বুলি কৈছে, যিয়ে হিন্দু ধৰ্ম গ্ৰহণ কৰিছে -

> *"The Mech who adopt Hindu customs are called Soronia's, but the change does not seem to be very extensive."* [৪১]

সেইদৰে অসম চৰকাৰৰ Department of Economics and Statistics, Govt. of Assam, Shillong এ ১৯৬০- ১৯৬১ চনত প্ৰস্তুত কৰি উলিওৱা তালিকাত শৰণীয়াসকলৰ কথা উল্লেখ আছে -

---

৩৯। *Report on the census of assam to 1881, chapter - VI,* page no. 63

৪০। Hunter, W.W. ঃ *A Statistical Account of Assam,* page no. 29

৪১। Hunter, W.W. ঃ *A Statistical Account of Assam,* page no. 118

(i) Barmans in Kacher.

(ii) Boro - Borokachari (Bodo)

(iii) Deouri

(iv) Hojai

(v) Kachari including Sonowal (Sarania, Thengal)

(vi) Lalung ( Nabaktia, Sundhi)

(vii) Mech

(viii) Miri ( Bogobari, Gosimari, Sarek, Padam, Galong, Dambuki, Missing)

(ix) Rabha ( Rava, Madahi, Bantha, Sandev, Raybaido, Bag, Hato, Pam, Rankha, Patirava, Tatala)

এনেদৰে বিশ্লেষণ কৰি চালে বিভিন্ন সময়ত কৰা লোকপিয়লত জনজাতি হিচাপে শৰণীয়া-কছাৰীসকলক অন্তৰ্ভুক্ত কৰা দেখা যায় যদিও তথ্যসমূহে তেওঁলোকৰ সংখ্যাগত দিশৰ এটা সুশৃংখলিত ৰূপ লোৱা নাই। কোনো এটা লোকগণনাতেই শৰণীয়া-কছাৰীসকলৰ জনসংখ্যাগত বা পৰিয়ালগত তথ্য শুদ্ধ আৰু সঠিক ভাবে লিপিবদ্ধ কৰা হোৱা নাই । ১৮৮১ আৰু ১৮৯১ ত কৰা লোকপিয়লত শৰণীয়া-কছাৰী জনজাতি অন্তৰ্ভুক্ত হৈ আছিল যদিও পিছৰ পৰ্যায়ৰ লোকপিয়লত শৰণীয়া-কছাৰী তালিকাৰ পৰা বাদ পৰিল। ১৮৯১ চনৰ পিছৰ পৰা ২০১১ চনলৈকে অসমৰ লোকপিয়লত শৰণীয়া জনগোষ্ঠীটোৰ কোনো তথ্যভিত্তিক সংখ্যগত হিচাপ পোৱা নাযায়। ইয়াৰ মূল কাৰণ হিচাপে লোকপিয়ল কৰ্তৃপক্ষৰ অৱহেলা বা শৰণীয়া-কছাৰী জনগোষ্ঠী সম্পৰ্কে থকা অজ্ঞতা বুলি অনুমান কৰিব পাৰি।

W.W.Hunter আৰু R.S.Endle য়ে শৰণীয়া-কছাৰীসকলৰ বিষয়ে বিভিন্ন গ্ৰন্থত উল্লেখ কৰিছে। R.S.Endle য়ে 'The Kachari' গ্ৰন্থত শৰণীয়া জনগোষ্ঠীৰ বিষয়ে উল্লেখ কৰিছে যদিও তেওঁলোকৰ জনসংখ্যাৰ পৰিমাণৰ বিষয়ে কোনো উল্লেখ কৰা নাই। W.W.Hunter য়ে ১৮৭৯ চনত প্ৰকাশ কৰা 'A Statistical Account of Assam, vol-1' শীৰ্ষক গ্ৰন্থত শৰণীয়া-কছাৰীৰ জনসংখ্যা ১১,৮১২ জন বুলি দেখুৱাইছে। হাণ্টাৰে দেখুওৱা লোকপিয়লৰ তথ্যত কেৱল অবিভক্ত কামৰূপ জিলাৰ অন্তৰ্গত জনসংখ্যাৰহে তথ্য দাঙি ধৰিছে -

"The following list of taken from the district census compilation of Mr.Magrath, C.S, which differs in soma minor points from the classification a adopted in the census report." [৪২]

তেখেতে শৰণীয়া-কছাৰী সম্পৰ্কে দিয়া তথ্যৰ তালিকা তলত উল্লেখ কৰা হ'ল -

| Tribes | Population (1879) |
|---|---|
| Doanniya | 20 |
| Garo | 4,849 |
| Cachari | 76,994 |
| Khasiya | 352 |
| Lalung | 1,950 |
| Manipuri | 45 |
| Mikir | 11,447 |
| Miri | 107 |
| Rabha | 20,408 |
| Saraniya | 11,812 |
| Uraon | 62 |
| Nat | 1,735" [৪৩] |

ওপৰৰ তথ্যৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে অতীতত শৰণীয়া-কছাৰী লোকসকল প্ৰধানত বৃহত্তৰ কামৰূপ জিলাত বাস কৰিছিল। বৰ্তমান শৰণীয়া-কছাৰীসকলৰ জনসংখ্য প্ৰায় পাঁচ লাখ। তেওঁলোকৰ মাজত শিক্ষিতৰ হাৰ সন্তোষজনক বুলি কব নোৱাৰি। অৱশ্যে মহিলা আৰু পুৰুষৰ শিক্ষিতৰ হাৰ প্ৰায় সমান। শৰণীয়া সমাজত প্ৰায় ৮৫ শতাংশ মানুহ কৃষিৰ লগত জড়িত। বাকী ১০ শতাংশ চাকৰি আৰু ৫ শতাংশ ক্ষুদ্ৰ ব্যৱসায়ৰ লগত জড়িত।

---

৪২। Hunter, W.W. ঃ *A Statistical Account of Assam, Vol-I,* page no. 29

৪৩। Hunter, W.W. ঃ *A Statistical Account of Assam, Vol-I,* page no. 30

**১.৪ শৰণীয়া-কছাৰী অধ্যুষিত প্ৰধান অঞ্চল ঃ**

শৰণীয়া-কছাৰীসকলৰ অৱস্থিতি প্ৰধানত নামনি অসমত যদিও উজনি অসমৰ কোনো কোনো ঠাইতো সিচঁৰতি হৈ আছে। অৱশ্যে উজনি অসমত সম্পূৰ্ণ শৰণীয়া-কছাৰী অধ্যুষিত গাঁও পোৱা নাযায়। কিন্তু পৰিয়াল হিচাপত দুই এটি পৰিয়াল কোনো কোনো ঠাইত সিচঁৰতি হৈ আছে। অৱশ্যে ১৮৯১ চনৰ Census Report ত শিৱসাগৰত ২,৫২৪ জন আৰু লক্ষীমপুৰত ৮৯৫ জন শৰণীয়া-কোচ থকা বুলি দেখুৱাইছে। নামনি অসমৰ অতীতৰ বৃহত্তৰ কামৰূপ জিলা আৰু এতিয়া বাক্সা, ওদালগুৰি, নলবাৰী, কামৰূপ গ্ৰাম্য, কামৰূপ মহানগৰ, বৰপেটা, ধেমাজি, বঙাইগাওঁ জিলাৰ অন্তৰ্গত প্ৰায় ৫০০ খনমান গাঁৱত এওঁলোকে বসবাস কৰি আছে। **বাক্সা জিলাত** থকা কেইখনমান শৰণীয়া গাঁও হ'ল - নিজ জুলুকী, বৰিমাখা, বৰশিমলুগুৰী, ভালুকদঙা, টুপলীয়া, হৰহৰীয়া, ভেৰবেৰী, কটাবোৰী, ৰৌমাৰী, লোকপালা, গোৱালীদিল, কচুবাৰী, বেলবাৰী, গান্ধীবাৰী, উলুবাৰী, কদোপাৰা, ৰামেচুবুৰী, বৰকচুলা, বৰফুলচকী, সৰুফুলচকী,ৰামচা ইত্যাদি।

**ওদালগুৰি জিলাৰ** অন্তৰ্গত কেইখনমান শৰণীয়া-কছাৰী অধ্যুষিত গাঁও হ'ল - বৰফুকনখাত, হীৰাবাৰী, ভকেলীকান্দা, ঢোপৰতল, মেধীপাৰা, দক্ষিণ নলবাৰী, উত্তৰ নলবাৰী, ওদেলা, গৰংপাৰ, নিচলামাৰী, গোপুচা, তৰাবাৰী, চাপ মহলীয়াপাৰা, শইকীয়াপাৰা, মৌগাঁও, বৈনাৰা ইত্যাদি।

**নলবাৰী**ৰ ধমধমা, **বঙাইগাঁও**ৰ চাপৰাকাটা, মাণিকপুৰ, পুৰণি বঙাইগাঁও আদি গাঁৱতো শৰণীয়া লোক আছে। **দৰং জিলাৰ** ৮খনমান, **ক্ষেত্ৰীত** ৫ খনমান, ধেমাজিত ১০ খনমান শৰণীয়া-কছাৰী গাঁও আছে। সেইদৰে **কোকৰাঝাৰ**তো ২-৩ খন গাঁও আছে। **কামৰূপ গ্ৰাম্যত** থকা কেইখনমান গাঁও হ'ল - হচং, কুৰিবাৰী, তিতকুৰি, শিঙিমাৰী, সেন্দুৰী ঘোপা, বৰগাঁও ইত্যাদি।

উল্লেখিত গাঁওসমূহৰ সংখ্যা কোনো কোনো ঠাইত বেছি হ'বও পাৰে। উক্ত অঞ্চলসমূহত শৰণীয়া-কছাৰী লোক একচেটিয়াভাবে আছে। অৱশ্যে শৰণীয়া-কছাৰী লোকৰ বাহিৰেও ওচৰ চুবুৰীয়া অঞ্চলত ৰাজবংশী, নাথ, ব্ৰাহ্মণ, বড়ো, ৰাভা আদি লোকেও বাস কৰে।

**১.৫ শৰণীয়া-কছাৰীৰ সমাজ-ব্যৱস্থা ঃ**

মানৱ সমাজৰ প্ৰাথমিক গোষ্ঠী হৈছে পৰিয়াল। মানুহৰ যৌন প্ৰবৃত্তিক শৃংখলাৰে বান্ধিবলৈ যাওতে মানৱ সমাজত পৰিয়ালৰ গঠন হ'ল।

জনজাতীয় সমাজত সাধাৰণতে পৰিয়ালসমূহত মহিলাৰ প্ৰাধান্য থকা দেখা যায়। সেয়ে জনজাতীয় সমাজক মাতৃ প্ৰধান সমাজ বুলি কোৱা হয়। ইয়াৰ সম্পূৰ্ণ প্ৰভাৱ শৰণীয়া-কছাৰী সমাজতো পৰা দেখা যায়। আৰ্যমূলীয় সমাজ সংস্কৃতিৰ সংস্পৰ্শলৈ অহাৰ পিছতো শৰণীয়া-কছাৰী সমাজত পিতৃ প্ৰধান সমাজৰ প্ৰাধান্য নপৰিল। জনজাতীয় আন মহিলাৰ দৰে শৰণীয়া-কছাৰী গোষ্ঠীৰ মহিলাসকল কৰ্মঠ। পুৰুষতকৈ সকলো শাৰীৰিক কৰ্মত মহিলাসকল অধিক আগৰণুৱা। অৱশ্যে আৰ্য সংস্কৃতিৰ ফলত ল'ৰাই ছোৱালীৰ ঘৰত বিয়া পাতি তাতে থাকি যোৱা প্ৰথাটোৰ বিলোপ হৈছিল।

শৰণীয়া-কছাৰী গোষ্ঠীৰ লোকসকল বৰ শান্তিপ্ৰিয় জাতি। গাঁও বা সমাজত দ্বন্দ্ব-খৰিয়াল হ'লে, অথবা কোনো লোক অসামাজিক কামত লিপ্ত হ'লে এইবোৰৰ সমাধান বিচাৰি অফিচ-আদালত, থানা আদিত যাবলৈ টান পায়, তাৰ সলনি গাঁৱৰ গোঁসাই ঘৰত সমাজ পাতি, বিচাৰ কৰি মীমাংসা কৰে।

### ১.৫.১ ঘৰসজাৰ নিয়ম ঃ

নতুনকৈ কোনো ঘৰ নিৰ্মাণ কৰাৰ আৰম্ভণিতে শৰণীয়া-কছাৰী গোষ্ঠীৰ লোকসকলে বিভিন্ন নীতি-নিয়ম চাইহে আৰম্ভ কৰে। লাইখুঁটা পোতাৰ সময়ত তামোল-পান, আমপাত, বেলপাত আদি বান্ধি লাইখুঁটাত গাঁঠি দিয়া হয়। কোনটো ঘৰ কোনটো দিশে থাকিব সেই সম্পৰ্কেও কিছু নীতি-নিয়ম মানি চলা দেখা যায়। সাধাৰণতে ঘৰবোৰ খেৰ, বাঁহ আদিৰে সজা হৈছিল যদিও বৰ্তমানে ইটা, বালি আদিৰে পকী ঘৰ নিৰ্মাণ কৰা দেখা যায়।

### ১.৫.২ বিবাহ-ব্যৱস্থা ঃ

আৰ্য আৰু আৰ্যভিন্ন সংস্কৃতিৰ সংমিশ্ৰণৰ ফলত শৰণীয়া-কছাৰী জনগোষ্ঠীৰ বিবাহৰ ক্ষেত্ৰত কিছু ভিন্নতা পৰিলক্ষিত হোৱা দেখা যায়। গান্ধৰ্ব আৰু প্ৰজাপত্য বিবাহৰ উপৰিও ঘৰজীয়া বিয়া, গা-যাচা বিয়া, ঢকাৰাখা বিয়া, পলুৱাই নিয়া বিয়া আদি দেখা যায়। গান্ধৰ্ব আৰু প্ৰজাপত্য বিবাহত আৰ্য সংস্কৃতিৰ প্ৰভাৱ স্পষ্ট আৰু বাকী বিবাহত জনজাতীয় প্ৰভাৱ স্পষ্ট।

বিয়াৰ আনুষ্ঠানিকতাৰ প্ৰাৰম্ভিক পৰ্যায়ত সোঠনি ভাৰ বা বাটযোৱা ভাৰ, খাতিৰা ভাৰ, ফোঁট দিয়া, তেলৰ ভাৰ আদি কাৰ্যসূচী পালন কৰে। বিবাহ অনুষ্ঠানৰ প্ৰতিটো স্তৰতে সাজ-পাৰ, আ-অলংকাৰ আদি সকলোতে এক সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়।

### ১.৫.৩ জন্ম সম্পৰ্কীয় লোক-বিশ্বাস ঃ

শৰণীয়া-কছাৰী সমাজত জন্ম আৰু মৃত্যু সম্পৰ্কীয় অনেক লোক-বিশ্বাস থকা দেখা যায়। শিশু এটিৰ ভূমিষ্ঠ হোৱাৰ লগে লগে বিভিন্ন নীতি-নিয়ম মাকজনীয়ে কৰিবলগীয়া হয়। শিশু ভূমিষ্ঠ হোৱাৰ আগতেও মাতৃ গৰাকীয়ে বিভিন্ন নীতি-নিয়ম পালন কৰিবলগীয়া হয়। গৰ্ভস্থ সন্তানটি ভূমিস্থ হোৱাৰ লগে-লগে প্ৰসূতিৰ লগত থকা ধাই বা বিজ্ঞ মহিলাই সন্তানটিৰ 'নাই'ৰ গুৰিত বান্ধিবৰ বাবে এডাল এঁৰা সূতা দিয়ে। ইয়াৰ উপৰিও তিনিদিন, পাঁচদিন বা সাতদিনৰ দিনা শিশুটোক সূৰ্য দৰ্শন কৰোৱা হয়। ছোৱালী সন্তান হ'লে এমাহ আৰু লৰা হ'লে একৈশ দিনত নাম-কীৰ্ত্তন কৰি মাক-সন্তানক শুচি কৰোৱা হয়।

জন্ম সম্পৰ্কে শৰণীয়া-কছাৰীসকলৰ আন এটি লোক-বিশ্বাস থকা দেখা যায়। শৰণীয়া-কছাৰী সমাজৰ কোনো পৰিয়ালত বাৰে-বাৰে শিশু সন্তানৰ মৃত্যু হ'লে পিছত জন্ম পোৱা শিশু সন্তানক প্ৰতীকীভাবে অন্য ধৰ্মাৱলম্বী, যেনে- ভূটীয়া, মুছলমান, খৃষ্টান আদি লোকক বিক্ৰী কৰি নামমাত্ৰ মূল্য (টকা) দি পুনৰ কিনিলে শিশু সন্তানৰ মৃত্যু নহয় বুলি বিশ্বাস কৰে।

### ১.৬ বিভিন্ন উৎসৱ-পাৰ্বন ঃ

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰাচীন কালৰ পৰা বিভিন্ন উৎসৱ-পাৰ্বন চলি আহিছে। আৰ্য সংস্কৃতিৰ সংস্পৰ্শলৈ আহিলেও শৰণীয়া-কছাৰী জনজাতিয়ে নিজৰ নিজৰ জনজাতীয় বৈশিষ্ট্য অক্ষুন্ন ৰাখি আহিছে। আৰ্য সংস্কৃতিৰ লগত বহুত দিন সম্পৰ্ক হোৱাৰ পিছতো কিন্তু শৰণীয়া-কছাৰী সমাজত ব্ৰাহ্মণৰ প্ৰাধান্য তুলনামূলক ভাবে কম দেখা যায়। শৰণীয়া-কছাৰী সকলে তেওঁলোকৰ ধৰ্মীয় কাম-কাজসমূহ কৰিবলৈ এজন তেওঁলোকৰে সমাজৰে দেউৰী নিৰ্বাচন কৰে। দেউৰীগৰাকীয়ে সকলো ধৰ্মীয় কাম-কাজ সম্পন্ন কৰে।

শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত উৎসৱ-অনুষ্ঠানসমূহ হ'ল-- বাঁহ-গোসাই উৎসৱ, বাম্বোল পিটা উৎসৱ ইত্যাদি। উৎসৱসমূহৰ মাজত 'বাঁহ'ৰ প্ৰধান্যলৈ লক্ষ্য কৰিলে দেখা যায় মংগোলীয় সংস্কৃতিত যিদৰে 'বাঁহ'ৰ প্ৰাধান্য অধিক, সেইদৰে 'শৰণীয়া কছাৰী' সমাজতো 'বাঁহ'ৰ প্ৰাধান্য অধিক।

বিভিন্ন উৎসৱ-পাৰ্বনৰ উপৰিও শৰণীয়া-কছাৰী সমাজত পূজা-পাতালৰ প্ৰচলন থকা দেখা যায়। বাঁহ গোসাঁই পূজা, বাটৰ পূজা, গোঁসাই পূজা, চিদ্ৰ গোসানী পূজা, জলকুঁৱৰী পূজা, হুংকাৰ ভঙা পূজা, শোপ ভঙা পূজা আদি নানা ধৰণৰ পূজা-পাতল কৰে। লোক-বিশ্বাস আছে যে পূজা-পাতলসমূহ কৰিলে

সমাজৰ পৰা ভূত-প্ৰেত , বেমাৰ-আজাৰ নাইকীয়া হয়। ইয়াৰ উপৰিও চোৰ-পূজা বা ভূজ-পূজা শৰণীয়া-কছাৰী সমাজত প্ৰচলিত আছে। স্মৰ্তব্য যে প্ৰতিটো অনুষ্ঠানতে সকলো কাৰ্য সমাপন কৰা হয় দেউৰীৰ সহায়ত, কোনো ব্ৰাহ্মণৰ সহায় লোৱা নহয়।

**১.৭ আহাৰ ঃ**

শৰণীয়া-কছাৰী সমাজত প্ৰধান আহাৰ ভাত। ভাতৰ লগত বিভিন্ন ধৰণৰ ব্যঞ্জন পৰিবেশন কৰোৱা হয়। পশু-পক্ষীৰ মাংস, মাছ, ফলমূল, শাক-পাচলি আদি খোৱাৰ উপৰিও শৰণীয়া-কছাৰী সমাজত পোক-পৰুৱাক খাদ্য হিচাপে গ্ৰহণ কৰি আহিছে। বিশেষকৈ আমৰলি পৰুৱা, ফৰিং, উঁইচিৰিঙা, বৰলৰ টোপ, মৌ-মাখিৰ টোপ, জাকৈ পোক আদি খাদ্য হিচাপে গ্ৰহণ কৰা দেখা যায়। পোক-পৰুৱা খোৱা সম্পৰ্কে শৰণীয়া-সমাজত বিভিন্ন গীত মাত পোৱা যায়-

খালে মাহী খাবলৈ ভাতি
বৰণৰ টোপ গোটাই আনি
হায় ঐ হায় ঐ আঞ্জাখনি
চাটা টেকেলি ভাঙি
জুতি লগাই বনাবি।

পোক-পৰুৱা খাদ্য হিচাপে গ্ৰহণ কৰাটো জনজাতীয় সমাজৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য।

**১.৮ সাজপাৰ ঃ**

সাজপাৰ পৰিধান কৰাৰ ক্ষেত্ৰত শৰণীয়া-কছাৰী সমাজত এক সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হোৱা দেখা যায়। শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলৰ জাতীয় সাজপাৰ চাঁদৰ-মেখেলা যদিও তাত ৰঙৰ বৈশিষ্ট্য মনকৰিবলগীয়া। পুৰুষ-মহিলা সকলোৰে সাজপাৰৰ ৰং কলপতীয়া। সেউজীয়া ৰঙে তেওঁলোকৰ মনবোৰো সেউজীয়া কৰি তোলে কাৰণে সম্ভৱত সেউজীয়া ৰঙটোক তেওঁলোকৰ সাজ পাৰৰ ৰং হিচাপে চিহ্নিত কৰিছে।

শৰণীয়া-কছাৰী সমাজৰ মহিলাসকলে বিভিন্ন ধৰণৰ অলংকাৰ পৰিধান কৰে। মুঠিখাৰু, গামখাৰু, বাজু, বালাখাৰু, সিংৰী, নাকফুলি আদি বিভিন্ন অলংকাৰ পিন্ধে।

## ১.৯ খেল-ধেমালি ঃ

পুৰণি অসমত পৰম্পৰাগতভাবে পালন কৰি অহা সকলো খেলেই শৰণীয়া সমাজত প্ৰচলিত। তাৰ ভিতৰত কচুগুটি খেল, ঘোৰাবন্ধা খেল, ছাগলী বন্ধা খেল, নাঁৰগুটি খেল, হাউ খেল, ভাটা খেল, বাইচকোপ খেল আদি উল্লেখযোগ্য।

খেল-ধেমালি উৎসৱ-পাৰ্বন, সাজপাৰ আদিত শৰণীয়া-কছাৰী গোষ্ঠীৰ সুকীয়া-সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হোৱাৰ উপৰিও লিখিত সাহিত্যৰ মাজতো সুকীয়া-সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হোৱা দেখা যায়।

## ১.১০ শৰণীয়া-কছাৰীসকলৰ জনজাতীয় বৈশিষ্ট্য ঃ

অসমৰ অন্যান্য মংগোলীয় জনগোষ্ঠীসমূহৰ দৰেই শৰণীয়া-কছাৰীসকলো অন্যতম প্ৰাচীন মংগোলীয় জনগোষ্ঠীৰ লোক। মংগোলীয় প্ৰজাতিৰ কিৰাত-কছাৰীৰ অন্তৰ্গত শৰণীয়া-কছাৰীসকল অসমৰ অনুসূচীত ভৈয়াম জনজাতিৰ অন্যতম লোক যদিও চৰকাৰীভাবে তেওঁলোকৰ অনুসূচীত জনজাতিৰ মৰ্যদা বৰ্তমান স্থগিত কৰি ৰখা হৈছে। শৰণীয়া-কছাৰীসকলৰ মাজত জনজাতীয় বৈশিষ্ট্য বিদ্যমান। সেয়া তেওঁলোকৰ শাৰীৰিক গঠনৰ উপৰিও সামাজিক, সাংস্কৃতিক আদি বিভিন্ন দিশত বিদ্যমান। খাদ্যভাসৰ ক্ষেত্ৰটো জনজাতীয় বৈশিষ্ট্য বিদ্যমান। তলত শৰণীয়া-কছাৰীসকলৰ মাজত দেখিবলৈ পোৱা জনজাতীয় বৈশিষ্ট্য সম্পৰ্কে চমু আলোচনা কৰা হ'ল -

১। জনজাতীয়সকলৰ শাৰীৰিক বৈশিষ্ট্য সম্পূৰ্ণৰূপে শৰণীয়া-কছাৰীসকলৰ দৈহিক গঠনত ৰক্ষিত হোৱা দেখা যায়। প্ৰায়ভাগ লোকৰ শৰীৰ পীতবৰ্ণ, চুলিৰ বৰণ ইৰ্ষৎ কলা আৰু পাতল। দাড়ি-গোফ তাকৰ। শৰীৰত নোম বেছি নহয়। মুখমণ্ডল বহল আৰু চেপেটা। নাকৰ গঢ় জোঙা নহয়। মধ্যমীয়া নাক। সাধাৰণতে নাক বহল আৰু চেপেটা হোৱা দেখা যায়। হনু অঞ্চল বেছি প্ৰকট। চকুযুৰি বহল আৰু ঠেক, কাণ ইৰ্ষৎ বহল। দৈহিক উচ্চতা অনুসৰি তেওঁলোক মধ্যমীয়া গঢ়ৰ। বেছি ওখও নহয়, বেছি চাপৰো নহয়। বেছিভাগ লোক মধ্যমস্তকী বা প্ৰশস্ত মস্তকী। পুৰুষ-মহিলা সকলোৰে গাৰ গঠন বহল আৰু চেপেটা, কলাফুল বহল, তপিনা বহল আৰু চেপেটা, ভৰিৰ পতা বহল আৰু চেপেটা, ভৰিৰ আঙুলিৰ মাজতো ফাঁক যথেষ্ট।

২। অসমৰ জনজাতীয় চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য হ'ল ঘৰুৱাকৈ তৈয়াৰ কৰা সাজ-পানী বা পানীয়ৰ প্ৰচলন, যিটো শৰণীয়া-কছাৰী সমাজতো দেখা যায়। শৰণীয়া সমাজৰ প্ৰত্যেকৰ ঘৰতে মদ তৈয়াৰ কৰাটো এক

পৰম্পৰা। গ্ৰামাঞ্চলৰ প্ৰায় প্ৰতি ঘৰতে নিজস্ব কৌশলেৰে চাউলৰ পৰা তৈয়াৰ কৰা সাজ-পানীৰ প্ৰচলন আছে। তেওঁলোকে সাজপানীক চেৰাপ বুলি কয়। বন্নি চাউলৰ পৰা তৈয়াৰ কৰা সাজপানীক বন্নিমেৰা বুলি কয়। প্ৰতিটো ধৰ্মীয় অনুষ্ঠানত মদৰ ব্যৱহাৰ নাই যদিও ভকত সেৱাত মদ অপৰিহাৰ্য।

৩। খাদ্য হিচাপে পোক-পৰুৱা ভক্ষণ জনজাতীয় সমাজৰ অন্যতম বৈশিষ্ট্য। যিটো শৰণীয়া সমাজত পুৰামাত্ৰে বিদ্যমান। তেওঁলোকে বিভিন্ন ধৰণৰ পোক-পৰুৱা বিভিন্ন ধৰণে ৰান্ধি খায়।

৪। শুকান মাছ খোৱাতো জনজাতীয় সমাজৰ অন্যতম পৰম্পৰা। শৰণীয়া সমাজত শুকান মাছ বাঁহৰ চুঙাত ভৰাই খায়। যাক তেওঁলোকে সিন্দল মাছ বুলি কয়।

৫। জনজাতীয় সমাজৰ উপাস্য দেৱতা সাধাৰণতে শিৱ হোৱা দেখা যায়। শৰণীয়া সমাজৰো উপাস্য দেৱতা শিৱ। যাক তেওঁলোকে পাগ্‌লাহাৰা বুলি কয়।

৬। বাঁহ মংগোলীয় সংস্কৃতিৰ দান। শৰণীয়া সমাজতো বাঁহৰ প্ৰাধান্য অধিক। বাঁহক তেওঁলোকে দেৱতা জ্ঞান কৰাৰ উপৰিও বাঁহেৰে প্ৰয়োজনীয় সকলো সঁজুলি ঘৰতে নিৰ্মান কৰি লয়।

৭। কৃষি কৰ্ম আৰু ঘৰুৱা কৰ্মত পুৰুষৰ সমানে মহিলাসকলৰ অংশগ্ৰহণ জনজাতীয় সমাজৰ অন্যতম বৈশিষ্ট্য। যিটো শৰণীয়া সমাজত দেখা যায়।

৮। পূজা-পাতল আৰু ধৰ্মীয় কাম কাজত সাধাৰণতে নিজস্ব জনজাতীয় দেউৰীৰ দ্বাৰাই কাৰ্য সমাপন কৰা হয়। যিটো জনজাতীয় সমাজৰো অন্যতম বৈশিষ্ট্য।

৯। যাক পাতি মাছ মাৰিব যোৱা জনজাতীয় সমাজৰ বৈশিষ্ট্য। শৰণীয়া পুৰুষ মহিলাও জাক পাতি বা আন পথৰুৱা কাম কৰিব যায়।

১০। মহিলাসকলে ঘৰুৱা কাম কৰোতে বা আন পথৰুৱা কাম কৰোতে বুকুত মেঠনি মাৰি মেখেলা পিন্ধে। চাদৰৰ ব্যৱহাৰ কম। যিটো আন জনজাতীয় মহিলাসকলৰ মাজতো দেখা যায়।

১১। বনৰীয়া গছৰ শাক-পাতক খাদ্য হিচাপে গ্ৰহণ কৰাটো জনজাতীয় সমাজৰ বৈশিষ্ট্য। শৰণীয়া সমাজেও বিভিন্ন বনৰীয়া শাক-পাতক খাদ্য হিচাপে গ্ৰহণ কৰাটো দেখা যায়।

১২। জনজাতীয় সমাজত কুকুৰা বিভিন্ন ধৰ্মীয় কাৰ্যত ব্যৱহাৰ হয়। শৰণীয়া সমাজতো কুকুৰা বিভিন্ন ধৰ্মীয় কাৰ্যত বাৰহাৰ হয়। ভকত সেৱা পৰম্পৰাত কুকুৰাৰ মাংস পানীত উতলাই জোল কৰা হয়। যাক তেওঁলোকে প্ৰেমৰস বুলি কয়।

উল্লেখিত জনজাতীয় বৈশিষ্ট্যসমূহে শৰণীয়া-কছাৰীসকলক অসমৰ এটি অন্যতম জনজাতীয় জনগোষ্ঠী হিচাপে পৰিচয় দিয়াত সহায় কৰিছে।

**১.১১ জনগোষ্ঠীটোৰ বিশিষ্ট ব্যক্তিসকল ঃ**

শৰণীয়া-কছাৰী জনগোষ্ঠীটো অতীজৰেপৰাই ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধিশালী জনজাতি হিচাপে পৰিগনিত হৈ আহিছে। সাহিত্য সংস্কৃতিৰ দিশত এই জনজাতিটো যেনেদৰে সমৃদ্ধ তেনেদৰে বহুকেইজন পুৰোধা তথা বিশিষ্ট ব্যক্তিৰেও এই জনজাতিটো সমৃদ্ধ। এই জনজাতিটোৰ বহুকেইজন লোক অসমৰ সাহিত্য, ক্ৰীড়া, ৰাজনীতি আদি বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়াই গৈছে। শৰণীয়া সমাজৰ এগৰাকী অগ্ৰগণ্য ব্যক্তি হ'ল ফেৰেংগাদাওৰ স্ৰষ্টা মেদিনী চৌধুৰী। শৰণীয়া সমাজৰ আন এগৰাকী বিশিষ্ট ব্যক্তি, বুদ্ধিজীবি তথা সাহিত্যিক হ'ল সোণবৰ বৰুৱা। সোণবৰ বৰুৱাই শৰণীয়া সমাজৰ বিভিন্ন দিশৰ গ্ৰন্থ লিখি সাহিত্যৰ ভৰাল চহকী কৰি তুলিছে। শৰণীয়া সমাজৰ আন কেইগৰাকীমান সমাজত পৰিচিত ব্যক্তি হ'ল সুৰেন্দ্ৰ নাথ দাস, বৈকুণ্ঠ নাথ দাস, কণ্ঠী শইকীয়া ইত্যাদি। সাহিত্যৰ লগত জড়িত বিশিষ্ট ব্যক্তি কেইগৰাকীমান হ'ল  নলীনি ডেকা, ধীৰেণ মহলীয়া, কামেশ্বৰ দাস, প্ৰসাদ শৰণীয়া ইত্যাদি। শৰণীয়া সমাজক বিশ্বৰ ওচৰলৈ চিনাকি কৰাই দিয়াৰ ক্ষেত্ৰত আগভাগ লোৱা কেইগৰাকীমান ব্যক্তি হ'ল সাংসদ নৱ শৰণীয়া, ৰমেশ চন্দ্ৰ দাস, দীপক দাস ইত্যাদি। কাবেৰী কছাৰী, মিথিংগা দৈমাৰী আদিয়েও শৰণীয়া সমাজৰ কাব্যিক দিশলৈ অৰিহণা আগবঢ়োৱা বিশিষ্ট ব্যক্তি।

ইতিহাসে ঢুকি পোৱা সময়ৰে পৰাই কছাৰীগোষ্ঠীৰ অন্তৰ্গত শৰণীয়া-কছাৰীসকলে অসমৰ সমাজ, সাহিত্য, ৰাজনীতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে অৰিহণা আগবঢ়াই আহিছে। এনে এটি ঐতিহ্যপূৰ্ণ তথা স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ জনজাতিয়ে অসমীয়া সমাজখনকো সমৃদ্ধ কৰি তুলিছে।